# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি যোৱা নিশা নতুন দিল্লীলৈ উভতি আহে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত চাণক্য প্ৰতিৰক্ষা আলোচনা শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব।

৩। পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণীবতাহ জাকে আজি নিশা বা কাইলৈ নিচেই পুৱা ওড়িশাৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে।

৪। জাৰ্মানীৰ চেন্সেলৰ অ'লাফ ছোল্জ সপ্তম আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ভাৰতত উপস্থিত হ'ব।

***আৰু***

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পুণেত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি যোৱা নিশা নতুন দিল্লীলৈ উভতি আহে। প্ৰধানমন্ত্ৰীয়ে সন্মিলনত ভাগ লোৱাৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু ইৰাণৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি মছুদ পেজেছকিয়ানৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। শ্ৰীমোদীয়ে লগতে উজবেকিস্তানৰ ৰাষ্ট্ৰপতি চৌকত মিৰ্জিয়োয়েভ আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহ্য়ানৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত চাণক্য প্ৰতিৰক্ষা আলোচনা শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। মন্ত্ৰীগৰাকীয়ে এই আলোচনাচক্ৰত ভাৰতীয় সেনাৰ সেউজ উদ্যম আৰু আই এৰ ডিজিটেলকৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিব। শ্ৰীসিঙে লগতে ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰতৰ লক্ষ্য উপনীত হোৱাৰ ক্ষেত্ৰত সৰ্বাত্মক সুৰক্ষাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি উন্নয়ন আৰু সুৰক্ষাৰ বাবে ভাৰতৰ দৃষ্টিভংগী সন্দৰ্ভত মূল ভাষণ প্ৰদান কৰিব। স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত সেনাবাহিনীৰ গুৰুত্বপূৰ্ণ অৱদান সন্দৰ্ভত শ্ৰোতাসকলক সম্বোধন কৰিব। এই দুদিনীয়া আলোচনাচক্ৰত নীতি প্ৰণেতা, কৌশল সম্পৰ্কীয় চিন্তাবিদ, শিক্ষাবিদ, প্ৰতিৰক্ষা কৰ্মী আৰু

বিজ্ঞানীসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰি আমেৰিকা, ৰাছিয়া, ইজৰাইল আৰু শ্ৰীলংকাৰ বিশিষ্ট বক্তাই আলোচনাচক্ৰত ভাগ ল'ব।

০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণীবতাহ জাকে আজি নিশা বা কাইলৈ নিচেই পুৱা ভিটৰকণিকা আৰু ধাম্ৰাৰ মাজত ওড়িশাৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতাহজাকে খুন্দা মৰাৰ সময়ত প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰ বতাহ বলিব পাৰে বুলি সতৰ্ক কৰি দিছে। বতাহ জাক সম্প্ৰতি ওড়িশাৰ পাৰাদ্বীপৰ পৰা ৪২০ কিলোমিটাৰ আৰু ধাম্ৰাৰ উপকূলভাগৰ পৰা ৪৫০ কিলোমিটাৰ নিলগত আৰু পশ্চিম বংগৰ সাগৰ দ্বীপৰ উপকূল ভাগৰ পৰা ৫০০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। বতাহ জাকৰ প্ৰভাৱত এই জিলাকেইখনত প্ৰৱলতৰ বৰষুণ হ'ব পাৰে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে। উপকূল ভাগৰ দ' এলেকাসমূহত বাস কৰা লোকসকলক বহুমুখী ধুমুহা কেন্দ্ৰলৈ আঁতৰাই নিয়া হৈছে। ৰাজ্যখনৰ সকলো বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ লগতে ভালেমান চৰকাৰী প্ৰতিষ্ঠান কাইলৈকে বন্ধ ৰখা হৈছে। চিকিৎসক আৰু চৰকাৰী কৰ্মচাৰীসকলৰ ছুটি বাতিল কৰা হৈছে। ইয়াৰ উপৰি ধুমুহাৰ আশংকালৈ চাই কেইবাখনো যাত্ৰীবাহী ৰেল গাড়ীৰ চলাচলো বাতিল কৰা হৈছে।

০০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে ডানা নামৰ ঘূৰ্ণীবতাহ জাকে ভূভাগত প্ৰৱেশ কৰাৰ পূৰ্বে ধন জনৰ হানি ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বাহিনীটোৱে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু ধুমুহা জাকৰ ফলত উদ্ভৱ হ'ব পৰা যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মাৰিবলৈ প্ৰস্তুতি চলাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে ভাৰতীয় উপকূলৰক্ষী বাহিনীক জাহাজ, বিমান আৰু ৰিমোট অপাৰেটিং কেন্দ্ৰৰ লগতে মাছমৰীয়া আৰু নাবিকসকলক নিয়মীয়াকৈ বতৰৰ সতৰ্কতা আৰু সুৰক্ষা পৰামৰ্শ প্ৰদান কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মাছ ধৰা জাহাজসমূহলৈ নিয়মীয়াভাৱে এনে ধৰণৰ সতৰ্কতা জাৰি কৰা হৈছে।

উপকূলৰক্ষী বাহিনীয়ে ধুমুহাজাকৰ ফলত সমুদ্ৰত সৃষ্টি হ'ব পৰা যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ ক্ষিপ্ৰতাৰে সন্মুখীন হোৱাৰ বাবে বাহিনীটোৰ জাহাজ আৰু বিমান বন্দৰসমূহক নিয়োজিত কৰিছে। বাহিনীটোৰ জোৱানসকলে স্থানীয় প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সৈতে সমন্বয়েৰে কাম কৰি আছে। মাছুৱৈসকলক গাঁও প্ৰধানসহ বিভিন্ন মাধ্যমেৰে ধুমুহা জাক পাৰ হৈ নোযোৱালৈকে সাগৰত মাছ ধৰাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। ভাৰতীয় উপকূলৰক্ষী বাহিনী সতৰ্ক হৈ আছে। বাহিনীটোৰ সাহায্য দল উদ্ধাৰ আৰু সাহায্য অভিযানত সহায় আগবঢ়াবলৈ সাজু হৈ আছে।

০০০০০

ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফে ডানা নামৰ ঘূৰ্ণী বতাহজাকে ভূভাগত খুন্দা মৰাৰ পূৰ্বে ওড়িশাত বাহিনীটোৰ ২০ টা আৰু পশ্চিমবঙ্গত ১৩ টা দল নিয়োগ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনীৰ উপ-মহাপৰিদৰ্শক মহচেন চাহিদে কয়

যে, পশ্চিমবঙ্গত যিকোনো পৰিস্থিতিৰ জোৰা মৰাৰ বাবে চাৰিটা দল সাজু কৰি ৰখা হৈছে। অন্ধ্ৰপ্ৰদেশৰ ৰিজাকতো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীচাহিদে কয় যে, ছত্তীশগড় আৰু ঝাৰখণ্ডতো সম্ভাব্য পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে বাহিনীটোৰ কেইবাটাও দল সাজু কৰি ৰখা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। ২৫ অক্টোবৰ পৰ্য্যন্ত লাভ কৰা দিহা-পৰামৰ্শসমূহ বিবেচনাযোগ্য হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

জাৰ্মানীৰ চেন্সেলৰ অ'লাফ ছোল্‌জ সপ্তম আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি তিনি-দিনীয়া ভ্ৰমণসূচীৰে ভাৰত পাবহি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চেন্সেলৰ ছোল্‌জে কাইলৈ আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত সহ অধ্যক্ষতা কৰিব। আন্তঃচৰকাৰী পৰামৰ্শ বৈঠক পূৰ্ণ চৰকাৰী মঞ্চ আৰু ইয়াৰ অধীনত দুয়োপক্ষৰ মন্ত্ৰীসকলে নিজ নিজ ক্ষেত্ৰৰ দায়িত্ব সম্পৰ্কে আলোচনা কৰে আৰু ইয়াৰ প্ৰতিবেদন প্ৰধানমন্ত্ৰী আৰু চেন্সেলৰৰ হাতত প্ৰদান কৰে।

দুয়োগৰাকী নেতাই কাইলৈ সুৰক্ষা আৰু প্ৰতিৰক্ষা সহযোগিতা, ঘনিষ্ঠ অৰ্থনৈতিক সহযোগিতা, সেউজ আৰু বহনক্ষম উন্নয়ন অংশীদাৰিত্ব তথা উদীয়মান আৰু কৌশলগত প্ৰযুক্তিৰ ক্ষেত্ৰৰ সহযোগিতা সম্পৰ্কে আলোচনা কৰিব। নেতা দুগৰাকীয়ে লগতে অষ্টাদশ এছিয়া প্ৰশান্ত সন্মিলনকো সম্বোধন কৰিব।

০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ পূৰ্বে এন ডি এ আৰু আই.এন.ডি.আই মিত্ৰজোটৰ মাজত অভিযোগ আৰু প্ৰতিঅভিযোগ বৃদ্ধি পাইছে। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বিজেপিৰ সহ-প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত বাংলাদেশী আৰু ৰোহিংগীয়াৰ অনুপ্ৰৱেশৰ বাবে হেমন্ত চোৰেণ চৰকাৰেই দায়ী বুলি অভিযোগ উত্থাপন কৰাৰ লগতে এইবাৰৰ নিৰ্বাচন ঝাৰখণ্ডক বচাবলৈহে বুলি মত প্ৰকাশ কৰে। আনহাতে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা জেএমএম দলৰ কাৰ্যকৰী সভাপতি হেমন্ত চোৰেনে কয় যে বিজেপিয়ে উন্নয়নৰ নামত তেওঁৰ দলৰ নেতাসকলক চোৰাংচোৰাগিৰি কৰি মানুহক বিপথে পৰিচালিত কৰিছে। কাইলৈ প্ৰথম পৰ্যায়ৰ ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে এই পৰ্যন্ত ২২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ইফালে, বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পিছৰে পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত চলা তালাচী অভিযানত ১৭ কোটি ৫১ লাখ টকাৰো অধিক মুল্যৰ

অবৈধ সামগ্ৰী আৰু নগদ ধন জব্দ কৰা হৈছে। নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ অভিযোগত এই পৰ্যন্ত ১৪টা গোচৰ ৰুজু কৰা হৈছে। উল্লেখযোগ্য যে ঝাৰখণ্ডত দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ১৩ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ২০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনাৰ দিন ধাৰ্য কৰা হৈছে।

ooooo

আকাশবাণীৰ বাতৰি বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান পি কে বন্দোপাধ্যায়ৰ কালি কলকাতাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। ভাৰতীয় তথ্য সেৱাৰ প্ৰাক্তন বিষয়া ড০ বন্দোপাধ্যায় আকাশবাণীৰ বাতৰি সেৱা বিভাগ আৰু প্ৰেছ ইনফৰমেশ্যন ব্যুৰোসহ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বিভিন্ন শাখাত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াইছিল।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল। ভাৰত সম্প্ৰতি শৃংখলাৰ ১-০ৰ ফলাফলত পিছ পৰি আছে।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে নিউজিলেণ্ডৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনে আঘাতৰ বাবে এইখন খেলত অংশগ্ৰহণ কৰিব নোৱাৰিব।

ooooo

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো আজি ভিয়েনা অ'পেন টেনিছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনৰ নীল স্কুপস্কী আৰু নিউজিলেণ্ডৰ মাইকেল ভেনাছৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুেসৰি বিয়লি ৪ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। বোপন্না আৰু এবডেনৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত নেডাৰলেণ্ডছৰ ৰবিন হাছে আৰু জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভৰ যুটীটো ২-৬, ৭-৫, ১০-৫ ছেটত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

তুৰস্কত কালি আংকাৰাস্থিত চৰকাৰী মহাকাশ আৰু প্ৰতিৰক্ষা উদ্যোগ টুছাছৰ চৌহদত সংঘটিত এটা আক্ৰমণৰ ঘটনাত কমেও ৫ জন লোক নিহত হোৱাৰ লগতে ২২ জন লোক আহত হৈছে। ঘটনাৰ সময়ত নিৰাপত্তা বাহিনীয়ে দুটা সন্ত্ৰাসবাদীক নিধন কৰে। এই পৰ্যন্ত কোনো সশস্ত্ৰ গোটে আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই যদিও তুৰস্কৰ প্ৰতিৰক্ষা মন্ত্ৰী ইয়াছাৰ গুলেৰে উগ্ৰপন্থী সংগঠন কুৰ্দিস্তান ৱৰ্কাৰছ পাৰ্টি বা পিকেকে জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। তুৰস্ক, ইউৰোপীয় সংঘ আৰু আমেৰিকাই পিকেকেক সন্ত্ৰাসবাদী সংগঠন হিচাপে শ্ৰেণীভুক্ত কৰিছে। তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেচেপ টাইব এৰদোগান ব্ৰিকছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে ৰাছিয়াৰ কাজানত উপস্থিত থকাৰ সময়তে এই আক্ৰমণ সংঘটিত হয়।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে এই আক্ৰমণক গৰিহণা দি তুৰস্কৰ ৰাষ্ট্ৰপতিগৰাকীয়ে শোক প্ৰকাশ কৰিছে। এই আক্ৰমণৰ প্ৰত্যুত্তৰত তুৰস্কৰ বায়ুসেনাই ইৰাক আৰু ছিৰিয়াত থকা কুৰ্দিছ সন্ত্ৰাসবাদীৰ ৩০টাৰো অধিক ঘাটি বিমান আক্ৰমণৰ যোগেদি ধ্বংস কৰা বুলি দাবী কৰিছে।

০০০০০

**সমাপ্ত**